অধ্যায় ১ ঃ ভাৰতীয় চুক্তি আইন, ১৮৭২ (INDIAN CONTRACT ACT, 1872)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ চুক্তিৰ সংজ্ঞা

১.৪ আইনসংগত চুক্তিৰ আৱশ্যকীয় চৰ্তাৱলী

১.৫ চুক্তিৰ শ্ৰেণীবিভাগ

- ১.৫.১ বলবৎকৰণৰ ভিত্তিত
- ১.৫.২ গঠনৰ ভিত্তিত
- ১.৫.৩ কাৰ্যকৰী কৰাৰ ভিত্তিত

১.৬ মুক্ত সন্মতি

- ১.৬.১ বল প্ৰয়োগ
- ১.৬.২ অযুক্তিকৰ প্ৰভাৱ
- ১.৬.৩ প্ৰতাৰণা
- ১.৬.৪ ভুল বৰ্ণনা
- ১.৬.৫ ভুল

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্ৰগতিৰ খতিয়ান

১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- চুক্তিৰ অৰ্থ আৰু ভাৰতীয় চুক্তি আইনৰ অধীনস্থ আইনসংগত চুক্তিৰ আৱশ্যকীয় উপাদানবিলাকৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন পক্ষৰ চুক্তি কৰাৰ সক্ষমতা, চুক্তিৰ কাৰ্য সম্পাদন আৰু চুক্তি খালাচ কৰাৰ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- এখন আইনসংগত চুক্তিৰ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত মুক্ত সন্মতিৰ গুৰুত্ব আলোচনা কৰিব পাৰিব।

১.২ পৰিচয় (INTRODUCTION)

ব্যৱসায়ৰ লগত জড়িত আইনসমূহৰ ভিতৰত চুক্তিৰ আইন হৈছে সবাতোকৈ পুৰণি। যেনেকৈ এখন সমাজৰ সুৰক্ষা তথা নিৰাপত্তা আইন আৰু নীতি-নিয়মৰ ওপৰত নির্ভৰ কৰে, ঠিক তেনেকৈ ব্যৱসায়বোৰৰ সুৰক্ষা নির্ভৰ কৰে চুক্তি আইনৰ ওপৰত। প্ৰত্যেক দিনে আমি বিভিন্ন চুক্তিৰ লগত সাঙোৰ খাই পৰো। সেই কাৰণে ব্যৱসায়ীসকলৰ তথা সৰ্বসাধাৰণৰ বাবেও চুক্তিৰ আইন অধ্যয়ন কৰাটো প্ৰয়োজনীয়। ভাৰতবৰ্ষত চুক্তিৰ সমস্ত নিয়ম-কানুন, ভাৰতীয় চুক্তি আইন, ১৮৭২ ত অন্তৰ্ভুক্ত আছে। এই অধ্যায়ত আমি এই আইনখনৰ বিভিন্ন ব্যৱস্থাসমূহ আলোচনা কৰিম।

১.৩ চুক্তিৰ সংজ্ঞা (DEFINITION OF CONTRACT)

ভাৰতীয় চুক্তি আইনৰ ধাৰা 2(h) অনুযায়ী, চুক্তি হৈছে আইনৰ দ্বাৰা বলবৎ কৰিব পৰা এক বন্দবস্তি।

চেলমণ্ডৰ মতে চুক্তি হৈছে এক বন্দবস্তি যিয়ে পক্ষসমূহৰ মাজত দায়িত্ব সৃষ্টি আৰু নির্দিষ্ট কৰে।

চাৰ উইলিয়াম আনস্‌লৰ মতে চুক্তি হৈছে দুই বা ততোধিক ব্যক্তিৰ মাজত হোৱা, আইনৰ দ্বাৰা বলবৎ কৰিব পৰা বন্দবস্তি যাৰ জৰিয়তে এজন বা একাধিক ব্যক্তিয়ে কোনো কাম কৰাৰ বাবে অধিকাৰ পাই বা আন এজন বা একাধিক ব্যক্তিয়ে কোনো কামৰ পৰা বিৰত থাকিব লাগে।

ওপৰৰ সংজ্ঞাবিলাকৰ পৰা এইটো স্পষ্ট যে চুক্তি হৈছে এক বন্দবস্তি যাৰ উদ্দেশ্য হৈছে আইনী বাধ্যবাধকতা সৃষ্টি কৰা। ইয়াত দুটা উপাদান থাকে— (ক) বন্দবস্তি আৰু (খ) আইনী বাধ্যবাধকতা

(ক) বন্দবস্তি ঃ ভাৰতীয় চুক্তি আইনৰ ধাৰা 2(e) অনুযায়ী প্ৰত্যেক প্ৰতিশ্ৰুতি বা প্ৰতিশ্ৰুতিৰ সংহতিয়ে, এটাই আনটোৰ বাবে সৃষ্টি কৰা প্ৰতিদানেই হৈছে বন্দবস্তি। ধাৰা 2(b) ৰ মতে যেতিয়া এজন ব্যক্তিলৈ এটা প্ৰস্তাৱ আগবঢ়োৱা হয় আৰু তেওঁ সেই প্ৰস্তাৱত তেওঁৰ সন্মতি প্ৰদান কৰে, তেতিয়া প্ৰস্তাৱ গ্ৰহণ কৰা বুলি কোৱা হয়। এটা প্ৰস্তাৱ যেতিয়া গ্ৰাহ্য হয় তেতিয়া প্ৰস্তাৱ গ্ৰহণ কৰা বুলি কোৱা হয়। এটা প্ৰস্তাৱ যেতিয়া গ্ৰহণ হয়, তেতিয়া প্ৰতিশ্ৰুতি হৈ পৰে। সেয়েহে এক বন্দবস্তি বাস্তৱিত হয় যেতিয়া এটা পক্ষই আগবঢ়োৱা প্ৰস্তাৱটো বিপৰীত পক্ষই গ্ৰহণ কৰে।

(খ) আইনী বাধ্যবাধকতা ঃ এক বৈধ চুক্তি হ'বলৈ হ'লে বন্দবস্তিয়ে পক্ষসমূহৰ মাজত আইনী বাধ্যবাধকতা সৃষ্টি কৰিব পাৰিব লাগিব। যদিহে বন্দবস্তিয়ে আইনী বাধ্যবাধকতা সৃষ্টি কৰাত অপাৰগ হয়, তেতিয়া বন্দবস্তি চুক্তি হ'ব নোৱাৰে। সকলো চুক্তিয়েই বন্দবস্তি কিন্তু সকলো বন্দবস্তি চুক্তি হ'ব নোৱাৰে। নৈতিক, সামাজিক আৰু ধাৰ্মিক বন্দবস্তিসমূহ চুক্তি নহয় কাৰণ এইবোৰৰ দ্বাৰা কোনো আইনী, বাধ্যবাধকতা সৃষ্টি কৰিব নোৱাৰি। উদাহৰণস্বৰূপে বন্ধুবৰ্গৰ

লগত মধ্যাহ্ন ভোজনৰ বা কাৰোবাৰ বিয়াত বা কোনো ধর্মীয় কার্যসূচীত উপস্থিত থকাৰ প্রতিশ্রুতি আদি ১৮৭২ চনৰ ভাৰতীয় চুক্তি আইন অনুসৰি চুক্তি নহয়।

১.৪ আইনসংগত চুক্তিৰ আৱশ্যকীয় চর্তাৱলী (ESSENTIALS ELEMENTS OF A VALID CONTRACT)

ভাৰতীয় চুক্তি আনৰ ধাৰা 10 অনুযায়ী সকলো বন্দৱস্তিয়েই চুক্তি যদিহে সেইবিলাক সক্ষম পক্ষসমূহৰ মুক্ত সন্মতিৰে প্রস্তুত কৰা হয়, এক আইন সংগত প্রতিদান থাকে আৰু আইনসংগত উদ্দেশ্য থাকে আৰু বাতিল কৰা হৈছে বুলি প্রকাশ্যে ঘোষণা কৰা নহয়। সেয়েহে, নিম্নলিখিত চর্তাৱলীসমূহ থাকিলেহে এখন চুক্তি আইনসংগত চুক্তি বুলিব পাৰি—

- প্রস্তাৱ আৰু গ্রাহ্যতা আৰু আইনী বাধ্যবাধকতা সৃষ্টি কৰাৰ আগ্রহ,
- পক্ষসমূহৰ মুক্ত সন্মতি,
- আইনসংগত প্রতিদান,
- আইনসংগত উদ্দেশ্য,
- অবৈধ বুলি ঘোষিত হ'ব নালাগে,

এই চর্তাৱলীসমূহ তলত আলোচনা কৰা হ'ল—

১) **প্রস্তাৱ আৰু গ্রাহ্যতা আৰু আইনী বাধ্যবাধকতা সৃষ্টি কৰাৰ আগ্রহ ঃ** চুক্তি এখন হ'বলৈ হ'লে তাত এটা প্রস্তাৱ আৰু সেই প্রস্তাৱ গ্রাহ্য হ'ব লাগিব, যিটো পক্ষই প্রস্তাৱ আগবঢ়াই তাক প্রস্তাৱ দিওঁতা বোলা হয় আৰু যিটো পক্ষলৈ প্রস্তাৱ আগবঢ়োৱা হয় তাক প্রস্তাৱ পাওঁতা বোলা হয়। প্রস্তাৱ দিওঁতাই প্রস্তাৱটোৰ বিষয়ে প্রস্তাৱ পাওঁতাক যোগাযোগ কৰিব লাগিব কিন্তু এইটো আমন্ত্রণ হ'ব নোৱাৰে আৰু নির্দিষ্ট হ'ব লাগিব। এই প্রস্তাৱ আৰু প্রস্তাৱ গ্রহণে পক্ষ দুটাৰ মাজত আইনী বাধ্যবাধকতা সৃষ্টি কৰিব লাগিব।

২) **পক্ষসমূহৰ মুক্ত সন্মতি ঃ** এখন আইনসংগত চুক্তিৰ বাবে পক্ষসমূহৰ মুক্ত সন্মতি থকাটো আন এক প্রয়োজনীয় চর্ত। ভাৰতীয় চুক্তি আইনৰ ধাৰা 13 ৰ মতে সন্মতিৰ অর্থ হৈছে যে পক্ষসমূহে এটা বিষয়বস্তুৰ ওপৰত একে অনুভূতিত সন্মত হ'ব লাগিব। সেয়েহে, সন্মতি হৈছে পক্ষসমূহৰ বোধগম্যতাৰ মিলন বা 'consensus ad-idem' অর্থাৎ এটা বিষয়ৰ ওপৰত একে বোধগম্যতাৰে সন্মত হোৱা। যদিহে বল প্রয়োগ, অযুক্তিকৰ প্রভাৱ, প্রতাৰণা, ভুল ব্যাখ্যা বা বিভ্রান্তিৰ দ্বাৰা সন্মতি আদায় কৰা হয়, তেনে সন্মতিক 'মুক্ত সন্মতি' বুলি ক'ব নোৱাৰি।

৩) **চুক্তি কৰিবলৈ পক্ষসমূহৰ সক্ষমতা ঃ** আইনসংগত চুক্তি কৰিবলৈ পক্ষসমূহৰ প্রয়োজনীয় সক্ষমতা থকাটো অতি আৱশ্যক। ভাৰতীয় চুক্তি আইন, ১৮৭২ ৰ ধাৰা ১০ৰ মতে সকলো বন্দৱস্তিয়েই চুক্তি যদিহে সেইবোৰ সক্ষম পক্ষৰ মুক্ত সন্মতিৰে সৃষ্টি কৰা হয়। বন্দৱস্তিৰ পক্ষসমূহে বন্দৱস্তি কৰিবলৈ সক্ষম হ'ব লাগিব অন্যথা বন্দৱস্তি আইনৰ দ্বাৰা বলবৎ কৰিব পৰা নাযায়। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ ধাৰা ১১ৰ মতে—

(ক) নাবালক,

(খ) মানসিক ভাৰসাম্যহীন ব্যক্তি আৰু

(গ) যিজন ব্যক্তিক কোনো আইনে চুক্তি কৰাৰ বাবে অযোগ্য বিবেচনা কৰে, তেনে ব্যক্তিসকলক চুক্তি কৰাৰ বাবে অক্ষম বুলি বিবেচনা কৰা হয়। অর্থাৎ এজন নাবালক, মানসিক ভাৰসাম্যহীন ব্যক্তি আৰু অযোগ্য বিবেচিত ব্যক্তি, যেনে— বিদেশী শত্রু, দেৱলীয়া, অপৰাধী আদিৰ বাবে চুক্তি কৰাৰ ক্ষেত্রত আইনী প্রতিবন্ধকতা থাকে।

সেয়েহে নিম্নলিখিত ব্যক্তিসকলক চুক্তি কৰাৰ বাবে অক্ষম বুলি বিবেচনা কৰা হয়—

(ক) নাবালক ঃ ভাৰতীয় মেজ'ৰিটি আইন, ১৪৭৫ অনুসৰি যিজন ব্যক্তিয়ে ১৪ বছৰ বয়স সম্পূর্ণ কৰা নাই, তেনে ব্যক্তিক নাবালক বোলা হয়। নাবালকৰ লগত জড়িত আইনসমূহ তলত সংক্ষিপ্ত ৰূপত ব্যাখ্যা কৰা হ'ল—

- নাবালকৰ দ্বাৰা কৰা বন্দৱস্তি অবৈধ আৰু অকার্যকৰী ঃ নাবালকসকল মানসিকভাৱে অপৰিপক্ক হোৱা বাবে আইনে তেওঁলোকৰ অভিভাৱক হিচাপে কার্য কৰে আৰু তেওঁলোকৰ অধিকাৰসমূহ ৰক্ষণাবেক্ষণ কৰে। নাবালকসকলৰ ভাল বা বেয়া বিবেচনা কৰাৰ সামর্থ নাথাকে। ভাৰতত নাবালকে কৰা বা নাবালকৰ দ্বাৰা কৰা বন্দবস্তি অবৈধ অর্থাৎ ***void ab-initio*** আৰু অকার্যকৰী। চুক্তিৰ আধাৰত নাবালকে দিয়া প্রতিশ্রুতি পালন কৰিবলৈ নাবালক বাধ্য নহয় বা কোনো চুক্তিৰ অধীনত পোৱা টকা ঘূৰাই দিবলৈ বাধ্য নহয়।

  মহৰী বিবি বনাম ধর্মদাস ঘোসৰ মোকদর্মাত এজন নাবালকে ১০,০০০ টকাৰ এক বন্ধকৰ চুক্তি ৰূপায়ণ কৰিছিল যাৰ আধাৰত তেওঁ ৮,০০০ টকা পাইছিলে। ঘটনাক্রমত সেই বন্ধকৰ চুক্তি নাবালকজনে ৰদ কৰিলে আৰু তেওঁৰ বিপক্ষে গোচৰ তৰা হ'ল। বন্ধক লোৱা জনে নাবালকজনৰ পৰা ৪,০০০ টকা ঘূৰাই বিচাৰিলে প্রাইভি কাউন্সিলয়ে ৰায় প্রদান কৰিলে যে নাবালকৰ বন্দৱস্তি অবৈধ আৰু নাবালকে প্রাপ্ত টকা ঘূৰাই দিবলৈ বাধ্য নহয়।

- এজন নাবালক প্রতিশ্রুতি গ্রহণকাৰী বা হিতাধিকাৰী হ'ব পাৰে ঃ কোনো চুক্তিৰ আধাৰত নাবালক এজন বাধ্য নহয়, কিন্তু তেওঁ এজন বৈধ হিতাধিকাৰী হ'ব পাৰে। কোনো বন্দৱস্তিৰ আধাৰত নাবালক এজনে কোনো সুবিধা বা লাভ পালে আৰু সেই বন্দৱস্তিৰ আধাৰত নাবালকৰ কোনো বাধ্যবাধকতা নাথাকিলে, তেনে বন্দবস্তি বৈধ।

- জীৱনৰ আৱশ্যকতাবোৰৰ বাবে নাবালকৰ সম্পত্তি দেয় থাকে ঃ ভাৰতীয় চুক্তি আইনৰ ৬৮ ধাৰা অনুসৰি যদি এজন ব্যক্তি চুক্তি কৰাৰ ক্ষেত্রত অক্ষম বা তেওঁ আন এজনক প্রতিপালন কৰিবলৈ বাধ্য, তেনে ক্ষেত্রত যিজন ব্যক্তিয়ে জীৱনৰ

আৱশ্যকতাসমূহ যোগান ধৰে, তেওঁক সেই ব্যক্তিৰ সম্পত্তিৰ পৰা পৰিশোধ কৰিব লাগে। এইটো মন কৰিবলগীয়া যে নাবালকৰ সম্পত্তিহে দেয়, নাবালকজন ব্যক্তিগতভাৱে এনে ক্ষেত্ৰত দায়ী নহয়।

- সাবালক হোৱাৰ সময়ত অনুসমর্থন ঃ অনুসমর্থন হৈছে এখন চুক্তি ক্ৰমাৎ গ্ৰহণ কৰা। যিহেতু নাবালকৰ চুক্তি অবৈধ, আইনৰ দৃষ্টিত ইয়াৰ কোনো অস্তিত্ব নাথাকে। সেয়েহে, নাবালকে কৰা চুক্তিখন সাবালক হ'লেও বৈধ নহয়।
- নাবালকৰ বন্দৱস্তি কার্যক্ষম নহয় ঃ চুক্তিৰ কার্যক্ষমতাৰ অর্থ হৈছে চুক্তিৰ চর্তসমূহ পালক কৰা, যিহেতু নাবালকে কৰা চুক্তি অবৈধ, নাবালকজনে বা বিপৰীত পক্ষই চুক্তিখন কার্যক্ষম কৰিব নোৱাৰে।
- নাবালকক দেউলীয়া বুলি ঘোষণা কৰিব নোৱাৰি ঃ এজন নাবালকে কোনো ধৰণৰ ধাৰ ল'ব নোৱাৰে আৰু সেয়েহে তেওঁক দেউলীয়া বুলি ঘোষণা কৰিব নোৱাৰি। জীৱনৰ আৱশ্যকতাসমূহৰ ক্ষেত্ৰটো, নাবালকৰ সম্পত্তিহে দেয়, তেওঁ ব্যক্তিগতভাৱে দায়ী নহয়।
- অংশীদাৰীত হিতাধিকাৰী হিচাপে নাবালকৰ ভর্তিকৰণ ঃ অংশীদাৰীৰ বন্দৱস্তিত এজন নাবালকে অংশ ল'ব নোৱাৰে। কিন্তু ভাৰতীয় অংশীদাৰী আইন, ১৯৩২ৰ ধাৰা ৩০ অনুসৰি সকলো অংশীদাৰৰ সন্মতি লৈ এজন নাবালকক অংশীদাৰীৰ হিতাধিকাৰী হিচাপে ভর্তি কৰাব পাৰি। তেনে ক্ষেত্ৰত অংশীদাৰী প্ৰতিষ্ঠানখনৰ সম্পত্তি তথা লাভালাভত সকলো অংশীদাৰৰ সন্মতি মর্মে নাবালকজনৰ অধিকাৰ থাকিব। নাবালকজনে ব্যৱসায়ৰ পৰিচালনাত আৰু লোকচানত অংশ নলয়। নাবালকজনৰ অংশীদাৰীত থকা সম্পত্তিৰ পৰিমাণ পর্যন্তহে তৃতীয় পক্ষলৈ দায়ী থাকে।
- এজন নাবালকে প্ৰতিনিধি হিচাপে কার্য কৰিব পাৰিব ঃ এজন নাবালকে প্ৰতিনিধি হিচাপে কার্যনির্বাহ কৰিব পাৰে আৰু মুখ্য ব্যক্তিক তেওঁৰ কার্যৰ দ্বাৰা বান্ধ খুৱাব পাৰে। তথাপিও, এজন নাবালক ব্যক্তিগতভাৱে দায়ী নহয়।
- এজন নাবালক পঞ্জীভুক্ত কোম্পানীৰ সদস্য হ'ব নোৱাৰে ঃ এজন নাবালক কোম্পানী এটাৰ অংশধাৰক হ'ব নোৱাৰে কাৰণ তেওঁ চুক্তি কৰিবলৈ অপাৰগ। সম্পূর্ণভাৱে আদায়ীকৃত অংশ নহ'লে, কোম্পানীয়ে অংশ হস্তান্তৰ কৰিবলৈ অমান্তি হ'ব পাৰে।

(খ) মানসিক ভাৰসাম্যহীন ব্যক্তি ঃ ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ ধাৰা ১২ অনুসৰি চুক্তি কৰাৰ ক্ষেত্ৰত মানসিক ভাৰসাম্য থকা ব্যক্তি বোলা হয় যদিহে চুক্তি কৰাৰ সময়ত চুক্তিৰ বিষয়বস্তু আৰু তেওঁৰ ওপৰত চুক্তিৰ প্ৰভাৱৰ বিষয়ে যথাযথ বিচাৰ-বিবেচনা কৰিব পাৰে।

ভাৰতীয় চুক্তি আইনৰ ধাৰা ১২ ই নির্বোধ, বলিয়া আৰু সুৰাপায়ী ব্যক্তিক, মানসিক ভাৰসাম্যহীন ব্যক্তি হিচাপে ঘোষণা কৰিছে। আইনখনত এইটো অতি স্পষ্টভাৱে উল্লেখ

কৰা আছে সুৰাপায়ী ব্যক্তিয়ে কৰা চুক্তি অবৈধ। ধাৰা ১২ত উল্লেখ আছে যে মানসিকভাৱে সুস্থ এজন ব্যক্তি কিন্তু জ্বৰ আদিৰ প্ৰভাৱত প্ৰলাপী হৈ থাকে বা যিজন অতিশয় সুৰাসক্ত হৈ থাকে যে চুক্তিৰ চৰ্তসমূহে তেওঁৰ ওপৰত পেলাব পৰা প্ৰভাৱৰ বিষয়ে যথাযথ বিচাৰ-বিবেচনা কৰিব নোৱাৰে। তেনে ব্যক্তিয়ে প্ৰলাপৰ বা সুৰাসক্ত হৈ থকা সময়ছোৱাত চুক্তি কৰিব নোৱাৰে।

(গ) **আইনে অযোগ্য হিচাপে ঘোষণা কৰা ব্যক্তি ঃ** কিছুমান ব্যক্তিক আইনে চুক্তি কৰাৰ বাবে সমূলি অযোগ্য হিচাপে ঘোষণা কৰে। বিদেশী শত্ৰু, সাৰ্বভৌম ৰজা বা ৰাণী, ৰাষ্ট্ৰদূত, অপৰাধী, বিবাহিত মহিলা, দেৱলীয়া, যৌথ কাৰবাৰ কোম্পানী আৰু বিশেষ আইনৰ আধাৰত প্ৰতিষ্ঠিত কোনো প্ৰতিষ্ঠান আদিক চুক্তি কৰাৰ ক্ষেত্ৰত আংশিকভাৱে অযোগ্য বুলি বিবেচনা কৰা হয়।

৪) **আইনসংগত উদ্দেশ্য ঃ** বৈধ চুক্তি এখনৰ আন এক আৱশ্যকীয় চৰ্ত হৈছে আইনসংগত প্ৰতিদান। সাধাৰণ অৰ্থত প্ৰতিদানৰ অৰ্থ হৈছে কোনো কাৰ্য কৰা বা কোনো কাৰ্য কৰাৰ পৰা বিৰত থকাৰ বাবে দিয়া ক্ষতিপূৰণ। এখন বন্দৱস্তি আইনসংগত হ'ব যদিহে তাত জড়িত থকা পক্ষসমূহৰ কোনোবাই ত্যাগ কৰিব আৰু কোনোবাই লাভ কৰিব। এই ত্যাগ বা লাভ হৈছে প্ৰতিশ্ৰুতিৰ মূল্য আৰু ইয়াকে প্ৰতিদান বোলা হয়। কেৱল বৈধ প্ৰতিদানহে আইনী। প্ৰতিদান অবৈধ— যদিহে আইনে বে-আইনী ঘোষণা কৰা নাই বা প্ৰতিদান এনেকুৱা প্ৰকৃতিৰ যে তাক ৰদ নকৰিলে আন আইনৰ ধাৰা ভংগ কৰা হ'ব বা কোনো ব্যক্তি বা কাৰোবাৰ সম্পত্তিৰ ক্ষতি হ'ব বা অনৈতিক বা ৰাজহুৱা স্বাৰ্থৰ পৰিপন্থী। যি বন্দৱস্তিৰ প্ৰতিদান বে-আইনী, তেনে বন্দৱস্তিও বে-আইনী।

৫) **আইনসংগত উদ্দেশ্য ঃ** এখন বৈধ চুক্তি গঠন কৰিবলৈ হ'লে তাত জড়িত পক্ষসমূহ আইনসংগত উদ্দেশ্যতহে সন্মত হ'ব লাগিব। বন্দৱস্তিৰ উদ্দেশ্য প্ৰবঞ্চনাকাৰী, বে-আইনী বা অনৈতিক বা ৰাজহুৱা স্বাৰ্থৰ পৰিপন্থী বা কোনো ব্যক্তি বা কাৰোবাৰ সম্পত্তিৰ ক্ষতি হ'ব নালাগিব।

৬) **অবৈধ বুলি ঘোষিত হ'ব নালাগিব ঃ** চুক্তি আইনৰ অধীনত বন্দৱস্তিখন অবৈধ বুলি ঘোষিত হ'ব নালাগিব। এই আইনৰ বিভিন্ন ধাৰা অনুসৰি নিম্নলিখিত বন্দৱস্তিসমূহ অবৈধ বুলি বিবেচনা কৰা হয়।

- অযোগ্য পক্ষই কৰা বন্দৱস্তি (ধাৰা ১১)
- ভুল তথ্যৰ আধাৰত কৰা বন্দৱস্তি (ধাৰা ২০)
- বে-আইনী প্ৰতিদান বা বে-আইনী উদ্দেশ্যৰ বন্দৱস্তি (ধাৰা ২৩)
- যিবোৰ বন্দৱস্তিৰ প্ৰতিদান বা উদ্দেশ্য আংশিকভাৱে বে-আইনী কিন্তু বে-আইনী অংশ আইনী অংশৰ পৰা পৃথক কৰিব নোৱাৰি (ধাৰা ২৪)
- প্ৰতিদান নোহোৱাকৈ কৰা বন্দৱস্তি (ধাৰা ২৫)
- বিয়াত বাধা দিবলৈ কৰা বন্দৱস্তি (ধাৰা ২৬)

- বেহা-বেপাৰত বাধা দিবলৈ কৰা বন্দৰস্তি (ধাৰা ২৭)
- আইনী প্ৰক্ৰিয়াত বাধা দিবলৈ কৰা বন্দৰস্তি (ধাৰা ২৪)
- যিবোৰ বন্দৰস্তিৰ অৰ্থ অনিশ্চিত (ধাৰা ২৯)
- ব্যক্তিৰ বাবে কৰা বন্দৰস্তি (ধাৰা ৩০)
- অনিশ্চিত বা অসম্ভৱ বন্দৰস্তি (ধাৰা ৩৬)
- অসম্ভৱ কাৰ্যৰ সম্পাদনৰ বাবে কৰা বন্দৰস্তি (ধাৰা ৩৬)



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ১ঃ চুক্তি বুলিলে কি বুজে?

.....

.....


প্ৰশ্ন নং ২ঃ এখন বৈধ চুক্তিৰ দুটা আৱশ্যকীয় চৰ্ত উল্লেখ কৰক।

.....

.....

১.৫ চুক্তি শ্ৰেণীবিভাগ (CLASSIFICATION OF CONTRACT)

বলবৎ, গঠন আৰু কাৰ্যকৰণৰ ওপৰত ভিত্তি কৰি চুক্তিসমূহ নিম্নলিখিত ধৰণেৰে ভাগ কৰিব পাৰি—



১.৫.১ বলৱৎকৰণৰ ভিত্তিত (On the Basis of Enforceability)

বলবৎকৰণৰ ভিত্তিত চুক্তিসমূহ নিম্নলিখিত ধৰণেৰে শ্ৰেণীবিভাগ কৰিব পাৰি—

- **সিদ্ধ চুক্তি** (Valid Contract) ঃ যিবোৰ চুক্তি ন্যায়ালয়ৰ দ্বাৰা বলবৎ কৰিব পাৰি, তেনে চুক্তিক সিদ্ধ চুক্তি বোলে। এখন ন্যায়সংগত চুক্তিত থাকিবলগীয়া সকলো চর্ত থাকিলে, সেইখনক সিদ্ধ চুক্তি বোলা হয়।
- **বাতিল চুক্তি** (Void Contract) ঃ আইনৰ দ্বাৰা বলবৎ কৰিব নোৱাৰা বন্দবস্তিক বাতিল চুক্তি বোলা হয়। এখন চুক্তি প্ৰথম অৱস্থাত সিদ্ধ চুক্তি হ'লেও পৰৱৰ্তী পর্যায়ত বাতিল চুক্তি হ'ব পাৰে।
- **বাতিলযোগ্য চুক্তি** (Voidable Contract) ঃ ধাৰা 2(i) অনুসৰি চুক্তিত জড়িত এক বা একাধিক পক্ষই চুক্তিখন আইনৰ দ্বাৰা বলবৎ কৰাব পাৰে, তেনে চুক্তিক বাতিলযোগ্য চুক্তি বোলা হয়। এনে চুক্তি ন্যায়সংগত হৈ থাকে যেতিয়ালৈ ক্ষতিগ্ৰস্ত পক্ষই চুক্তিখনক অস্বীকাৰ নকৰে।

  সাধাৰণতে এখন চুক্তি বাতিলযোগ্য হয় যদিহে কোনো এটা পক্ষৰ সন্মতি বল প্ৰয়োগ, অযুক্তিকৰ প্ৰভাৱ, প্ৰতাৰণা, ভুল ব্যাখ্যা বা বিভ্ৰান্তিৰ দ্বাৰা সন্মতি আদায় কৰা হয় তেনে চুক্তি ক্ষতিগ্ৰস্ত পক্ষই অস্বীকাৰ কৰিব পাৰে।
- **বে-আইনী চুক্তি** (Illegal contract) ঃ এখন চুক্তি বে-আইনী হয় যদিহে ইয়াৰ, উদ্দেশ্য বা প্ৰতিদান—
  - আইনে নিষিদ্ধ ঘোষণা কৰে, বা
  - এনেকুৱা ধৰণৰ হয় যে ইয়াত অনুমতি প্ৰদান কৰিলে আন কোনো আইনৰ ধাৰা ভংগ হয়, বা
  - প্ৰতাৰণামূলক, বা
  - কোনো ব্যক্তি বা আনৰ সম্পত্তিত আঘাত কৰে, বা
  - ন্যায়ালয়ে ইয়াক অসৎ বা ৰাজহুৱা স্বার্থৰ পৰিপন্থী বুলি বিবেচনা কৰে।

  এনে বন্দৱস্তি আইনৰ দ্বাৰা দণ্ডনীয়। এনে বন্দৱস্তি প্ৰথম অৱস্থাৰ পৰাই আইনৰ দ্বাৰা বলবৎ কৰাব নোৱাৰি।
- **বলবৎ কৰিব নোৱৰা চুক্তি** (Unenforceable contract) ঃ আইনী ব্যৱস্থাসমূহ শুদ্ধভাৱে পালন নকৰি কৰা চুক্তিসমূহক বলবৎ কৰিব নোৱৰা চুক্তি বোলা হয়। অর্থাৎ এনে চুক্তিত কিছু কৌশলগত অসুবিধা থাকে, যেনে অপর্যাপ্ত ষ্টাম্প শুল্ক আদি। এনে অসুবিধাসমূহ আঁতৰ কৰিলে, চুক্তিখন সিদ্ধ চুক্তি হৈ পৰে।

১.৫.২ গঠনৰ ভিত্তিত (On the Basis of Formation)

গঠনৰ ভিত্তিত চুক্তিসমূহ নিম্নলিখিত ধৰণে বিভক্ত কৰিব পাৰি—

- **ব্যক্ত চুক্তি** (Express Contracts) ঃ আইনৰ দ্বাৰা বলবৎ কৰিব পৰা চুক্তিত থকা প্ৰস্তাৱ আৰু ইয়াৰ গ্ৰাহ্যতা লিখিত বা উচ্চাৰিত হ'লে তাক ব্যক্ত চুক্তি বোলে। উদাহৰণস্বৰূপে মি. A য়ে নিজৰ ঘৰটো বিক্ৰী কৰাৰ প্ৰস্তাৱ মি. B ক আগবঢ়ালে। আৰু মি. B য়ে প্ৰস্তাৱটো গ্ৰহণ কৰিলে। এইখন ব্যক্ত চুক্তি হ'ব।
- **প্ৰকাৰান্ত চুক্তি** (Implied Contract) ঃ আইনৰ দ্বাৰা বলবৎ কৰিব পৰা চুক্তি এখনৰ প্ৰস্তাৱ আৰু গ্ৰাহ্যতা শব্দৰ জৰিয়তে নহয় যদি কোনো কাৰ্য বা জড়িত পক্ষৰ আচাৰৰ দ্বাৰা হয়, তেনে চুক্তিক প্ৰকাৰান্ত চুক্তি বোলা হয়। এখন বাছত এজন যাত্ৰী উঠাৰ লগে লগে যাত্ৰী আৰু বাছৰ মালিকৰ মাজত যি চুক্তি হয়, সেয়া হৈছে প্ৰকাৰান্ত চুক্তিৰ উদাহৰণ।
- **সাদৃশ্য চুক্তি** (Quasi Contract) ঃ সাদৃশ চুক্তিৰ ক্ষেত্ৰত কোনো প্ৰস্তাৱ বা গ্ৰাহ্যতা নাথাকে। আচলতে, পক্ষসমূহৰ মাজত কোনো চুক্তি জড়িত সম্বন্ধ নাথাকে। আইনৰ সহায়ত গঠন কৰা তেনে চুক্তিক সাদৃশ চুক্তি বোলে। ধাৰা 68 ৰ পৰা 72 লৈ ন্যায়ালয়ে গঠন কৰি দিব পৰা সাদৃশ্য চুক্তিৰ পৰা নিম্নলিখিত পৰিস্থিতিসমূহত ন্যায়ালয়ে সাদৃশ্য চুক্তি গঠন কৰিব দিব পাৰে—
  - ধাৰা 68: যেতিয়া জীৱনৰ প্ৰয়োজনীতাসমূহ যোগান ধৰা হয়।
  - ধাৰা 69: যেতিয়া এজন ব্যক্তিৰ খৰচ আন এজন ব্যক্তিয়ে পৰিশোধ কৰে।
  - ধাৰা 70: যেতিয়া এটা পক্ষ আন এটা পক্ষৰ কাৰ্যৰ দ্বাৰা লাভান্বিত হয়।
  - ধাৰা 71: হেৰোৱা সামগ্ৰী বিচাৰি পোৱাজন।
  - ধাৰা 72: যেতিয়া ভুলকৈ পৰিশোধ কৰা হয় বা ভুলকৈ কোনো সামগ্ৰী বিলি কৰা হয়।

  যেতিয়া জীৱনৰ প্ৰয়োজনীয়াসমূহ যোগান ধৰা হয় ঃ যদি এজন ব্যক্তি চুক্তি কৰিবলৈ অক্ষম বা কাৰোবাক সমৰ্থন কৰিবলৈ আইনীভাৱে দায়বদ্ধ কিন্তু তেওঁৰ সলনি আন এজনেহে সেই দায়িত্ব পালন কৰিছে। তেনেহ'লে তেওঁক সেই অক্ষম ব্যক্তিজনৰ সম্পত্তিৰ পৰা পৰিশোধ কৰিব লাগিব। উদাহৰণস্বৰূপে ধৰি লোৱা হ'ল B এজন মানসিক ভাৰসাম্যহীন ব্যক্তি আৰু তেওঁৰ প্ৰয়োজনীয়তাসমূহ A য়ে যোগান ধৰিছে। এই ক্ষেত্ৰত B ৰ সম্পত্তিৰ পৰা A ক পৰিশোধ কৰিব লাগিব।

  যেতিয়া এজন ব্যক্তিৰ খৰচসমূহ আন এজন ব্যক্তিয়ে বহন কৰে ঃ আইনীভাৱে যদি এজন ব্যক্তিয়ে পৰিশোধ কৰিব লগা থাকে কিন্তু এই খৰচ আন এজনেহে বহন কৰে, তেনেহ'লে সেই ব্যক্তিজনে খৰচ কৰা ব্যক্তিজনক পৰিশোধ কৰিব লাগিব।

উদাহৰণস্বৰূপে, এজন জমিদাৰ A ৰ পৰা B য়ে এটুকুৰা মাটি লিজত ল'লে। A য়ে চৰকাৰক পৰিশোধ কৰিব লগা খাজনা বাকী থকাত চৰকাৰে মাটি টুকুৰা বিক্রীৰ বাবে বিজ্ঞাপন দিলে। এই ক্ষেত্রত B ৰ লীজ চুক্তি সমাপ্ত হ'ব। মাটি টুকুৰাৰ বিক্রী আৰু লীজৰ সম্পতি ৰোধ কৰিবলৈ Bয়ে বাকী থকা খাজনা A ৰ হৈ চৰকাৰক পৰিশোধ কৰিলে। এতিয়া A য়ে B ক এই টকা পৰিশোধ কৰিবলৈ বাধ্য।

যেতিয়া এটা পক্ষ আন এক পক্ষৰ কার্যৰ পৰা লাভান্বিত হয় ঃ যেতিয়া এজন ব্যক্তিয়ে আইনগতভাৱে আন এজন ব্যক্তিৰ বাবে কোনো কার্য কৰে বা কোনো সামগ্রী বিলি কৰে আৰু ব্যক্তিজন তাৰ পৰা লাবান্বিত হয়, তেনেহ'লে তেওঁ সেই ব্যক্তিজনক পৰিশোধ কৰিব লাগিব বা সামগ্রীসমূহ ঘূৰাই দিব লাগিব।

এই ক্ষেত্রত নিম্নলিখিত চর্তসমূহ পূৰণ হ'ব লাগিব—

(i) কার্যসমূহ আইনীভাৱে আৰু বিশ্বাসত কৰিব লাগিব।

(ii) কার্যসমূহ অহেতুক হ'ব নালাগিব, অর্থাৎ কার্যৰ বাবদ প্রতিদান পোৱাৰ উদ্দেশ্য থাকিব লাগিব।

(iii) যিজন ব্যক্তিৰ বাবে কার্য সম্পাদন কৰা হ'ল, তেওঁ ইয়াৰ পৰা লাভান্বিত হ'ব লাগিব।

উদাহৰণস্বৰূপে (ক) এজন ব্যৱসায়ী A য়ে ভুলতে কিছু সামগ্রী B ৰ ঘৰত থৈ গ'ল। B য়ে সামগ্রীখিনি নিজৰ বুলি দাবী কৰিলে। B য়ে A ক পৰিশোধ কৰিবলৈ বাধ্য।

(খ) A য়ে জুইত জাহ যোৱাৰ পৰা B ৰ সম্পত্তি ৰক্ষা কৰিলে। যদি পৰিস্থিতিয়ে দেখুৱাই যে A সেই কার্য বিনামূলীয়াকৈ কৰিছে, তেনেহ'লে A অক B য়ে পৰিশোধ কৰিবলৈ বাধ্য নহয়।

১.৫.৩ কার্যকৰী কৰাৰ ভিত্তিত (On the Basis of Performance)

কার্যকৰী কৰাৰ ভিত্তিত চুক্তিসমূহ নিম্নলিখিত ধৰণে বিভক্ত কৰিব পাৰি—

- **সম্পাদিত চুক্তি** (Executed Contract) ঃ চুক্তিত জড়িত পক্ষসকলে চুক্তিত দায়িত্বসমূহ সম্পূর্ণকৈ পালন কৰা হৈ গ'লে, তেনে চুক্তিক সম্পাদিত চুক্তি বোলে।
- **নির্বাহী চুক্তি** (Executory Contract) ঃ যি চুক্তিৰ চুক্তিগত দায়িত্বসমূহ কার্যত ৰূপান্তৰ হোৱা নাই, তেনে চুক্তিক নির্বাহী চুক্তি বোলে। উদাহৰণস্বৰূপে A য়ে নিজৰ ঘৰটো B ক অহা মাহৰ পৰা ভাড়াত দিবলৈ সন্মত হ'ল আৰু প্রতিদানস্বৰূপে B য়ে প্রতি মাহত 5000 টকা ভাড়া দিবলৈ প্রতিশ্রুতি দিলে। এই চুক্তিখন নির্বাহী চুক্তি। কাৰণ ই এতিয়াও কার্যত ৰূপান্তৰ হোৱা নাই।

- **একপক্ষীয় চুক্তি** (Unilateral Contract) ঃ একপক্ষীয় চুক্তিত কেৱল মাত্র এটা পক্ষইহে দায়িত্ব পালন কৰিবলগীয়া হয়।
- **দ্বিপক্ষীয় চুক্তি** (Bilateral Contract) ঃ দ্বিপক্ষীয় চুক্তিত চুক্তি জড়িত দুয়োটা পক্ষই দায়িত্ব পালন কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৩ঃ বাতিল চুক্তি বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৪ঃ প্রকাৰান্ত চুক্তি বুলিলে কি বুজে?

.....

.....

১.৬ মুক্ত সন্মতি (FREE CONSENT)

ভাৰতীয় চুক্তি আইনৰ ধাৰা 13 অনুসৰি সন্মতিৰ অর্থ হৈছে যে পক্ষসমূহে এটা বিষয়বস্তুৰ ওপৰত একে অনুভূতিত সন্মত হ'ব লাগিব। ধাৰা 14 অনুসৰি সন্মতিক মুক্ত সন্মতি বুলি কোৱা হ'ব যদিহে বল প্রয়োগ, অযুক্তিকৰ প্রভাৱ, প্রতাৰণা, ভুল ব্যাখ্যা বা বিভ্রান্তিৰ দ্বাৰা সন্মতি আদায় কৰা হোৱা নাই। তলত এইবোৰৰ ব্যাখ্যা দাঙি ধৰা হ'ল—

১.৬.১ বল প্রয়োগ (Coercion)

চুক্তি আইনৰ ধাৰা 15 অনুসৰি এজন ব্যক্তিৰ পৰা কোনো বন্দৰস্তিৰ বাবে সন্মতি আদায় কৰাৰ উদ্দেশ্যে ব্যক্তিজনৰ ক্ষতি কৰিবলৈ ভাৰতীয় দণ্ডবিধিয়ে নিষিদ্ধ কৰা কোনো কার্য কৰিলে বা কৰাৰ ভাবুকি দিলে বা বে-আইনীভাৱে কোনো সম্পত্তি বন্ধ কৰিলে বা বন্ধ কৰাৰ ভাবুকি দিলে, বল প্রয়োগ কৰা বুলি কোৱা হয়।
ওপৰৰ আলোচনাৰ ভিত্তিত নিম্নলিখিত দিশসমূহ স্পষ্ট হৈ পৰে—

- বল প্রয়োগৰ অর্থ হ'ল— (ক) ভাৰতীয় দণ্ডবিধিয়ে নিষিদ্ধ কৰা কোনো কার্য কৰা বা কৰাৰ ভাবুকি দিয়া, বা (খ) ব্যক্তিজনৰ বন্দৰস্তিৰ বাবে সন্মত কৰাৰ উদ্দেশ্যে বে-আইনীভাৱে কোনো সম্পত্তি বন্ধ কৰি দিয়া বা বন্ধ কৰাৰ ভাবুকি দিয়া।

  ৰঙ্গানায়াকাম্মা বনাম অলৰাৰ চেট্টী মোকর্দমাত মাদ্রাজ উচ্চ ন্যায়ালয়ত এগৰাকী বিধৱা মহিলাই ল'ৰা সন্তান এটি তুলি লোৱাৰ বৈধতাৰ ওপৰত প্রশ্ন হৈছিল। মাদ্রাজী ভদ্রলোক এজনৰ মৃত্যুত বিধৱাগৰাকীক মৃত ব্যক্তিজনৰ

পৰিয়ালবৰ্গই এজন ল'ৰা সন্তান তুলি ল'বৰ বাবে হেঁচা প্ৰয়োগ কৰিছিল আৰু ভাবুকি প্ৰদান কৰিছিল যে এই কাৰ্য নকৰিলে তেওঁৰ স্বামীৰ নশ্বৰ দেহ শেষকৃত্যৰ বাবে নিবলৈ দিয়া নহ'ব। বিধৱাগৰাকীয়ে ল'ৰাজনক তুলি লৈছিল কিন্তু পাছত ইয়াৰ বাতিলকৰণৰ বাবে আৱেদন কৰিছিল। মোকৰ্দমাত এইটো ৰায় দিয়া হৈছিল যে মহিলাগৰাকীৰ সন্মতি মুক্ত নাছিল আৰু বল প্ৰয়োগৰ দ্বাৰাহে সন্মতি আদায় কৰা হৈছিল।

- বল প্ৰয়োগ কাৰ্য যিকোনো এজন মানুহৰ ওপৰত হ'ব পাৰে, চুক্তিত জড়িত ব্যক্তিৰ ওপৰত হ'ব পাৰে, চুক্তিত জড়িত ব্যক্তিৰ ওপৰতহে যে হ'ব লাগিব সেইটো আৱশ্যক নহয়। একেদৰে, চুক্তিত জড়িত পক্ষইহে যে বল প্ৰয়োগ কৰিব লাগিব এনে নহয়, যিকোনো অচিনাকি ব্যক্তিৰ দ্বাৰাও বল প্ৰয়োগ কৰাব পাৰি। উদাহৰণস্বৰূপে, A য়ে B ক গুলিওৱাৰ ভাবুকি দিছে যদিহে B য়ে তেওঁৰ মাটি এটুকুৰা C ক বিক্ৰী নকৰে, B য়ে মাটি টুকুৰা C ক বিক্ৰী কৰিবলৈ সন্মত হৈছিল। কিন্তু B ৰ সন্মতি বল প্ৰয়োগৰ দ্বাৰা আদায় কৰা হৈছিল।
- বল প্ৰয়োগ কৰা ঠাইত ভাৰতীয় দণ্ডবিধি বলবৎ আছে নে নাই সেইটো অপ্ৰাসঙ্গিক।

বল প্ৰয়োগৰ পৰিণাম (Effect of Coercion)

বল প্ৰয়োগৰ দ্বাৰা হোৱা চুক্তি বাতিল যোগ্য চুক্তি আৰু যিটো পক্ষৰ সন্মতি বল প্ৰয়োগৰ দ্বাৰা আদায় কৰা হৈছে সেই পক্ষই এই চুক্তি বাতিল কৰিব পাৰে। ইয়াৰ অৰ্থ হৈছে ক্ষতিগ্ৰস্ত পক্ষই চুক্তিৰ দায়বদ্ধতা পালন কৰিব পাৰে আৰু বিপৰীত পক্ষকো চুক্তি পালনৰ বাবে বাধ্য কৰাব পাৰে, অথবা বাতিলকৰণৰ অধিকাৰ সাব্যস্ত কৰি বন্দৱস্তিখন অস্বীকাৰ কৰিব পাৰে। ধাৰা 64 অনুসৰি যদি ক্ষতিগ্ৰস্ত পক্ষই চুক্তি পালন অস্বীকাৰ কৰে, তেনেহ'লে চুক্তিৰ আধাৰত পোৱা কোনো লাভ যাৰ পৰা পাইছিল তেওঁক ঘূৰাই দিব লাগে।

১.৬.২ অযুক্তিকৰ প্ৰভাৱ (Undue Influence)

ধাৰা 16(1) অনুসৰি এখন চুক্তি অযুক্তিকৰ প্ৰভাৱ থকা বুলি কোৱা হয় য'ত পক্ষসমূহৰ মাজৰ সম্বন্ধ এনেকুৱা যে এটা পক্ষই আনটো পক্ষৰ ইচ্ছাশক্তিত প্ৰভাৱ পেলাব পাৰে, আৰু এই পৰিস্থিতিৰ সুবিধা লৈ এটা পক্ষই আনটো পক্ষৰ অনুচিত সুবিধা ল'ব বিচাৰে। এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ ইচ্ছাশক্তিত প্ৰভাৱ পেলাব পাৰে বুলি ধৰা হয়—

- য'ত ব্যক্তিজনে আনজনৰ ওপৰত স্পষ্ট অধিকাৰ সাব্যস্ত কৰিব পাৰে, উদাহৰণস্বৰূপে মালিক আৰু চাকৰ, পুলিচ আৰু অভিযুক্তৰ মাজৰ সম্বন্ধ,
- য'ত এজন ব্যক্তিৰ আন এজনৰ লগত বিশ্বাসৰ সম্বন্ধ থাকে। এনেধৰণৰ সম্বন্ধ

নিম্নলিখিত পৰিস্থিতিত থাকিব পাৰে—

- পিতৃ আৰু পুত্ৰ
- অভিভাৱক আৰু প্ৰতিপালিত শিশু
- উকিল আৰু মক্কেল
- ডাক্তৰ আৰু ৰোগী
- ন্যাসৰক্ষক আৰু হিতাধিকাৰী, ইত্যাদি

- য'ত এজন ব্যক্তিয়ে এনে এজন ব্যক্তিৰ লগত চুক্তি কৰে যিজন সাময়িকভাৱে বা স্থায়ীভাৱে বয়স, ৰোগ বা মানসিক বা শাৰীৰিক সমস্যাৰ দ্বাৰা আক্ৰান্ত হৈছে।

বল প্ৰয়োগ আৰু অযুক্তিকৰ প্ৰভাৱৰ মাজৰ পাৰ্থক্য

আহক, এতিয়া আমি বল প্ৰয়োগ আৰু অযুক্তিকৰ প্ৰভাৱৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰো।

কাৰ্যৰ ধৰণ (Nature of Action) ঃ বল প্ৰয়োগ হৈছে শাৰীৰিক শক্তি দেখুওৱা বা ভাবুকি প্ৰদান কৰা। অযুক্তিকৰ প্ৰভাৱ হৈছে মানসিকভাৱে হেঁচা প্ৰদান।

অপৰাধ সংক্ৰান্তীয় কাৰ্য (Involvement of criminal action) ঃ বল প্ৰয়োগ কাৰ্যত বে-আইনী ঘোষণা কৰা কাৰ্যসমূহ অন্তৰ্ভুক্ত হৈ থাকে। অযুক্তিকৰ প্ৰভাৱত বে-আইনী কাৰ্য অন্তৰ্ভুক্ত হৈ নাথাকে।

অপৰাধী (Criminal liability) ঃ বল প্ৰয়োগ কৰা পক্ষ ভাৰতীয় দণ্ডবিধিৰ অধীনত অপৰাধী হিচাপে গণ্য কৰা হয়। অযুক্তিকৰ প্ৰভাৱৰ ক্ষেত্ৰত তেনে কোনো ব্যৱস্থা নাই।

কাৰ্যত পৰিণত কৰা ব্যক্তি (Exercise by whom) ঃ প্ৰস্তাৱ দিওঁতাজনৰ পৰা বল প্ৰয়োগ হ'ব লাগিব বুলি বাধ্যতামূলক নহয়। তাৰোপৰি প্ৰস্তুৱ গ্ৰহণ কৰাজনৰ ওপৰতহে যে বল প্ৰয়োগ হ'ব সেইটোও বাধ্যতামূলক নহয়। অযুক্তিকৰ প্ৰভাৱ এটা পক্ষই আন এটা পক্ষৰ ওপৰত প্ৰয়োগ কৰে।

বলবৎকৰণ (Enforceability) ঃ বল প্ৰয়োগ হ'লে, চুক্তিখন বাতিল যোগ্য চুক্তি হ'ব। যি চুক্তিত অযুক্তিকৰ প্ৰভাৱ থাকে, তেনে চুক্তি বাতিলযোগ্য চুক্তি।

১.৬.৩ প্ৰতাৰণা (Fraud)

চুক্তি আইনৰ 17 নম্বৰ ধাৰাই প্ৰতাৰণাৰ সংজ্ঞা এইদৰে দিছে। চুক্তিৰ এটা পক্ষই বা তেওঁৰ প্ৰতিনিধিয়ে আন পক্ষক বা তেওঁৰ প্ৰতিনিধিক চুক্তিভুক্ত কৰাৰ উদ্দেশ্যে নিম্নলিখিত যি কোনো কাম কৰা বা তেনে কাম নীৰৱে সমৰ্থন কৰাকে প্ৰতাৰণা বোলে।

(a) কোনো এটা অসত্য তথ্য নিজেও সত্য বুলি বিশ্বাস নকৰি আন পক্ষক অসৎ অভিপ্ৰায়েৰে সত্য বুলি বৰ্ণনা কৰা।

(b) কোনো তথ্য সম্বন্ধে নিজৰ সঠিক জ্ঞান আৰু বিশ্বাস থকা সত্বেও অসৎ অভিপ্ৰায়েৰে আনটো পক্ষৰ পৰা সেই তথ্য সক্ৰিয়ভাৱে গোপন কৰা।

(c) নিজৰ মনত চুক্তিৰ চৰ্ত পালন কৰাৰ ইচ্ছা নথকাকৈ আন পক্ষক মিছা প্ৰতিশ্ৰুতি দিয়া।

(d) প্ৰবঞ্চনা কৰাৰ বাবে উপযুক্ত অন্য যিকোনো কাম কৰা।

(e) প্ৰতাৰণামূলক বুলি আইনে বিশেষভাৱে ঘোষণা কৰা কোনো কাম কৰা বা নকৰা।

ধাৰা 17 অনুসৰি তথ্যৰ প্ৰতি নিৰৱতাই কোনো এটা পক্ষই চুক্তি কৰা ইচ্ছাত প্ৰভাৱ পেলালেও সেইটো প্ৰতাৰণা নহয় যদিহে—

(i) পৰিস্থিতিয়ে এইটো নিৰ্দেশিত কৰে যে যিজন ব্যক্তিয়ে নিৰৱ হৈ থাকি দৰাচলতে বিষয়টো অৱগত কৰাৰ দায়িত্ব আছিল, বা

(ii) নিৰৱতাই ব্যক্ত কৰাৰ সমকক্ষ,

অৰ্থাৎ

a. নীতি অনুসৰি কেবল নীৰব তথা প্ৰতাৰণা নহয়। আইনে প্ৰয়োজনীয় তথ্যসমূহ অন্য পক্ষক ব্যক্ত কৰিব লাগিব বুলি কোনো চুক্তিত জড়িত কোনো পক্ষক দায়বদ্ধ কৰা নাই।

b. নিৰৱতাক প্ৰতাৰণা বোলা হ'ব যদিহে পৰিস্থিতিয়ে এইটো দৰ্শাই যে যিজন ব্যক্তিক ব্যক্ত কৰিবলৈ দায়িত্ব আছিল, তেওঁ নিৰৱতা অৱলম্বন কৰিলে ব্যক্ত কৰা বুজায়।

(iii) নিৰৱতাক প্ৰতাৰণা বোলা হ'ব যদিহে নিৰৱতা ব্যক্ত কৰাৰ সমকক্ষ। উদাহৰণস্বৰূপে, X য়ে Y ক ক'লে— 'যদি আপুনি অস্বীকাৰ নকৰে, মই এইটো ধৰি ল'ম যে গাড়ীখন ভাল অৱস্থাত আছে।' Y য়ে একো নক'লে। সেয়েহে Y ৰ নিৰৱতাই বক্তব্যৰ সমকক্ষ। যদিহে গাড়ীখন ভাল অৱস্থাত নাই, Y ৰ নিৰৱতাক প্ৰতাৰণা বুলি কোৱা হ'ব।

প্ৰতাৰণাৰ ফলাফল

যিটো পক্ষই প্ৰতাৰণাৰ প্ৰভাৱত চুক্তি কৰে, তেওঁ নিম্নলিখিত প্ৰতিকাৰসমূহৰ সহায় ল'ব পাৰে—

a) তেওঁ চুক্তিখন বাতিল কৰিব পাৰে অৰ্থাৎ চুক্তিখন তেওঁ কাৰ্যকৰী নকৰিব পাৰে।

b) তেওঁ ক্ষতিপূৰণ দাবী কৰিব পাৰে।

১.৬.৪ ভুল বৰ্ণনা (Misrepresentation)

এটা পক্ষই আন এটা পক্ষক ভুল তথ্য দিলে আৰু সেই তথ্যৰ ভিত্তিত চুক্তি কৰিলে, তাক ভুল বৰ্ণনা (Misrepresentation) বোলা হয়।

ভাৰতীয় চুক্তি আইনৰ ধাৰা 18 ত অনুসৰি—

- প্ৰাপ্ত সংবাদ আদিৰ দ্বাৰা সত্য বুলি প্ৰমাণ কৰিব নোৱৰা কোনো তথ্যক, নিজে সত্য বুলি বিশ্বাস কৰি সেই তথ্যৰ সত্যতাৰ দাবী কৰা।
- প্ৰৱঞ্চনাৰ উদ্দেশ্য নথকাকৈ কৰ্তব্য পালন নকৰিলে, কৰ্তব্য পালন নকৰা ব্যক্তিয়ে বা তেওঁৰ কোনো উত্তৰাধিকাৰীয়ে ভুল পথে চালিত হোৱা অন্য পক্ষৰ বা অন্য পক্ষৰ উত্তৰাধিকাৰীৰ ক্ষতিৰ বিনিময়ত কোনো সুবিধা পোৱা।
- যিমানেই নিৰ্দেশভাৱে হওক লাগে চুক্তিৰ কোনো পক্ষক চুক্তিৰ বিষয়বস্তুৰ সম্বন্ধে ভুল ধাৰণা কৰোৱা।
- মিছা বৰ্ণনা আইন বা তথ্য উভয়ৰে ক্ষেত্ৰত হ'ব পাৰে। আইন সম্পৰ্কে চুক্তিৰ এটা পক্ষৰ জ্ঞান আনটো পক্ষতকৈ বেছি হ'লে, বেছি জ্ঞান থকা পক্ষই আনটো পক্ষক আইন সম্বন্ধে সকলো তথ্য সঠিকভাৱে নোকোৱাকৈ চুক্তি সম্পাদন কৰিলে আইন সম্পৰ্কে কম জ্ঞান থকা ক্ষতিগ্ৰস্ত পক্ষই চুক্তি বাতিল বুলি গণ্য কৰিব পাৰে।

প্ৰতাৰণা আৰু ভুল বৰ্ণনাৰ মাজৰ পাৰ্থক্য

- প্ৰতাৰণাৰ ক্ষেত্ৰত যিজনে বৰ্ণনা দিয়ে তেওঁ সম্পূৰ্ণভাৱে জ্ঞাত যে তেওঁৰ বৰ্ণনা মিছা। ভুল বৰ্ণনাৰ ক্ষেত্ৰত, বৰ্ণনা দিয়া ব্যক্তিজনে নিজৰ বৰ্ণনা শুদ্ধ বুলি ভাৱে কিন্তু পিছলৈ এইটো অশুদ্ধ প্ৰমাণিত হয়।
- প্ৰতাৰণা হৈছে দেৱানী গোচৰ আৰু ক্ষতিগ্ৰস্ত পক্ষই খেচাৰত (damage) দাবী কৰিব পাৰে, চুক্তিখন বাতিল কৰিব পাৰে। ভুল বৰ্ণনাৰ ক্ষেত্ৰত ক্ষতিগ্ৰস্ত পক্ষই কেৱল চুক্তি বাতিল কৰিব পাৰিব কিন্তু খেচাৰত দাবী কৰিব নোৱাৰিব।

১.৬.৫ ভুল (Mistake)

ভাৰতীয় চুক্তি আইনৰ ধাৰা 20 অনুসৰি ভুল হৈছে কোনো বিষয়বস্তুৰ প্ৰতি ভ্ৰান্ত বিশ্বাস। যদিহে চুক্তি এখন ভ্ৰান্ত বিশ্বাসৰ আধাৰত স্বাক্ষৰিত হয় তেনেহ'লে পক্ষসমূহে মুক্ত সন্মতিৰে চুক্তি কৰিছে বুলি ক'ব নোৱাৰি। কাৰণ মুক্ত সন্মতিৰ অৰ্থ হৈছে যে পক্ষসমূহে এটা বিষয়বস্তুৰ ওপৰত একে অনুভূতিৰ সন্মত হ'ব লাগিব।

ভুলৰ উপাদান

1. ভুল দ্বি পক্ষীয়। একপক্ষীয় ভুল হ'ব নোৱাৰে।
2. কোনো তথ্যৰ সংক্ৰান্তত হে ভুল হ'ব পাৰে।
3. এই তথ্য বন্দৰস্তিৰ বাবে অপৰিহাৰ্য।

ভুলৰ প্ৰকাৰ

ভুলৰ প্ৰকাৰ দুই প্ৰকাৰৰ—

a) আইন সম্পৰ্কীয় ভুল

b) তথ্য সম্পৰ্কীয় ভুল

আইন সম্পর্কত ভুলক আকৌ দুই ধৰণে ভগাব পাৰি—

- **দেশৰ আইন সম্পর্কীয় ভুল ঃ** সকলোৱেই নিজৰ দেশৰ আইন মানি চলিবলৈ বাধ্য। আইনৰ প্রতি অজ্ঞতা ক্ষমাৰ অযোগ্য। সেয়েহে আইন সম্পর্কীয় ভুলৰ কোনো ক্ষমা নাই আৰু পক্ষসমূহে চুক্তি বাতিল কৰাৰ অধিকাৰ নাপায়।
- **বৈদেশিক আইন সম্পর্কীয় ভুল ঃ** বৈদেশিক আইন সম্পর্কীয় কৰা ভুল দেশৰ আইন সম্পর্কীয় ভুলৰ দৰে গণ্য কৰা হয়।

তথ্য সম্পর্কত ভুল

দ্বিপক্ষীয় ভুল আৰু একপক্ষীয় ভুল।

দ্বিপক্ষীয় ভুল ঃ যেতিয়া চুক্তি জড়িত পক্ষসমূহৰ মাজত ভুল বুজা বুজি হয়, তাকেই দ্বিপক্ষীয় ভুল বোলা হয়। ধাৰা 20 অনুসৰি এখন বন্দৰস্তিৰ পক্ষসমূহ চুক্তিৰ বাবে আৱশ্যকীয় কোনো তথ্যৰ ক্ষেত্রত ভুল বুজা বুজি হয়, সেই বন্দবস্তিক বাতিল যোগ্য। সেয়েহে বন্দৰস্তি এখনক বাতিল যোগ্য বুলি ক'বলৈ নিম্নলিখিত চর্তসমূহ পূৰণ হ'ব লাগে।

- দুয়োটা পক্ষৰ মাজত ভুল বুজা-বুজি হ'ব লাগিব।
- এই ভুল বুজা-বুজি কোনো তথ্যৰ ক্ষেত্রত হ'ব লাগিব।
- এই তথ্য বন্দবস্তিৰ বাবে অপৰিহার্য হ'ব লাগিব।

এক পক্ষীয় ভুল ঃ যেতিয়া কোনো এটা পক্ষহে ভুলৰ বশৱর্তী হয়, তাক একপক্ষীয় ভুল বোলা হয়। ধাৰা 22 অনুসৰি এখন বন্দৰস্তি বাতিল যোগ্য নহয় যদি কেৱল এটা পক্ষহে ভুলৰ বশৱর্তী হয়। এক পক্ষীয় ভুলে চুক্তিৰ বৈধতাৰ ওপৰত প্রভাৱ নেপেলাই যদিহে কোনো অপৰিহার্য তথ্যৰ ক্ষেত্রত ভুল নাথাকে আৰু আনটো পক্ষই এই ভুলৰ বিষয়ে জ্ঞাত থাকে।

এক পক্ষীয় ভুল নিম্নলিখিত ধৰণৰ হ'ব পাৰে—

- **লেনদেনৰ প্রকৃতি সম্পর্কে ভুল ঃ** এখন চুক্তি বাতিল যোগ্য হ'ব যদিহে চুক্তি জড়িত এটা পক্ষই নিজৰ অৱগত নোহোৱাকৈ চুক্তিখনৰ মুখ্য প্রকৃতিৰ ক্ষেত্রত কোনো ভুল কৰে। এইটো অন্ধত্ব, নিৰক্ষতাৰ বাবে হ'ব পাৰে বা কোনো প্রতাৰণাৰ বলি হৈ হ'ব পাৰে।
- **চুক্তি জড়িত পক্ষৰ চিনাক্তকৰণৰ ক্ষেত্রত ভুল ঃ** যিটোৰ পক্ষৰ লগত চুক্তি কৰা হ'ব, সেই পক্ষটো শুদ্ধভাৱে চিনাক্ত কৰিব লাগে। চুক্তিৰ নীতি তেতিয়াহে পালন হ'ব যেতিয়া চুক্তি জড়িত পক্ষৰ চিনাক্তকৰণত গুৰুত্ব দিয়া হ'ব।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৫ঃ ভুল বর্ণনা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৬ঃ দ্বিপক্ষীয় ভুল বুলিলে কি বুজে?

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আইনৰ দ্বাৰা বলবৎ কৰিব পৰা বন্দৰস্তিসমূহ হৈছে চুক্তি।
- এখন বৈধ চুক্তি বাবে চর্তসমূহ হৈছে— প্রস্তাৱ আৰু প্রস্তাৱ গ্রহণ, আইনী সম্বন্ধ সৃষ্টি কৰাৰ উদ্দেশ্য, পক্ষসমূহৰ সক্ষমতা, প্রতিদান, মুক্ত সন্মতি, আইনী উদ্দেশ্য ইত্যাদি।
- চুক্তিসমূহ বলবৎকৰণ, গঠন আৰু কার্যকাৰিতাৰ ভিত্তিত বিভাজিত কৰিব পাৰি।
- সন্মতিক মুক্ত সন্মতি বুলিব পাৰি যদিহে বল প্রয়োগ, অহেতুক হেঁচা, প্রতাৰণা, ভুল বর্ণনা বা ভুলৰ দ্বাৰা প্রভাৱিত নহয়।



১.৮ অধিক জানিবলৈ (FURTHER READINGS)

১) Commercial Law (including Company Law and Industrial Law); by Arun Kumar Sen and Jitendra Kumar Mitra

২) Principles of Mercantile Law; by R.P Maheshwari and S.N. Maheshwari

৩) Elements of Mercantile Law; by N.D Kapoor

৪) Business Regulatory Framework; by K. C Garg, V. K. Sareen and Mukesh Sharma

১.৯ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ চুক্তি হৈছে এক বন্দবস্তি যাৰ উদ্দেশ্য হৈছে আইনী বাধ্যবাধকতা সৃষ্টি কৰা। ইয়াত দুটা উপাদান থাকে— (ক) বন্দবস্তি আৰু (খ) আইনী বাধ্যবাধকতা।

২ নং প্রশ্নৰ উত্তৰঃ প্রস্তাৱ আৰু গ্রাহ্যতা আৰু আইনী বাধ্যবাধকতা সৃষ্টি কৰাৰ আগ্রহ আৰু পক্ষসমূহৰ মুক্ত সন্মতি।

৩ নং প্রশ্নৰ উত্তৰঃ আইনৰ দ্বাৰা বলবৎ কৰিব নোৱাৰা বন্দবস্তিক বাতিল চুক্তি বোলা হয়। এখন চুক্তি প্রথম অৱস্থাত সিদ্ধ চুক্তি হ'লেও পৰৱর্তী পর্যায়ত বাতিল চুক্তি হ'ব পাৰে।

৪ নং প্রশ্নৰ উত্তৰঃ আইনৰ দ্বাৰা বলবৎ কৰিব পৰা চুক্তি এখনৰ প্রস্তাৱ আৰু গ্রাহ্যতা শব্দৰ জৰিয়তে নহয় যদি কোনো কার্য বা জড়িত পক্ষৰ আচাৰৰ দ্বাৰা হয়, তেনে চুক্তিক প্রকাৰান্ত চুক্তি বোলা হয়।

৫ নং প্রশ্নৰ উত্তৰঃ এটা পক্ষই আন এটা পক্ষক ভুল তথ্য দিলে আৰু সেই তথ্যৰ ভিত্তিত চুক্তি কৰিলে, তাক ভুল বর্ণনা বোলা হয়।

৬ নং প্রশ্নৰ উত্তৰঃ যেতিয়া চুক্তি জড়িত পক্ষসমূহৰ মাজত ভুল বুজা বুজি হয়, তাকেই দ্বিপক্ষীয় ভুল বোলা হয়। ধাৰা 20 অনুসৰি এখন বন্দৱস্তিৰ পক্ষসমূহ চুক্তিৰ বাবে আৱশ্যকীয় কোনো তথ্যৰ ক্ষেত্রত ভুল বুজা বুজি হয়, সেই বন্দবস্তিক বাতিল যোগ্য।

১.১০ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ চুক্তিৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ঃ চুক্তি কৰিবলৈ পক্ষসমূহৰ সক্ষমতা বুলিলে কি বুজে?

প্রশ্ন ৩ঃ অবৈধ চুক্তি বুলিলে কি বুজে?

প্রশ্ন ৪ঃ গঠনৰ ভিত্তিত চুক্তিসমূহৰ প্রকাৰসমূহ আলোচনা কৰক।

প্রশ্ন ৫ঃ প্রতাৰণা বুলিলে কি বুজে?

*** ***** ***